# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 05-10-2025

**Time :** 0755 Hrs.

## *Assamese Morning Bulletin*

গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ে নতুন দিল্লীৰ কেন্দ্ৰীয় ফৰেনচিক পৰীক্ষাগাৰলৈ প্ৰেৰণ কৰা জুবিন গাৰ্গৰ ভিচেৰাৰ প্ৰতিবেদন অহা ১০ অক্টোবৰত লাভ কৰিব পৰা যাব আৰু ইয়াৰ পাছতেই মৰণোত্তৰ পৰীক্ষাৰ চূড়ান্ত প্ৰতিবেদন চিকিৎসকে দাখিল কৰিব। এই প্ৰতিবেদনৰ পিছতহে শিল্পীগৰাকীৰ মৃত্যু সন্দৰ্ভত প্ৰকৃত তথ্য পোৱা যাব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। কালি শিল্পীগৰাকীৰ বাসগৃহলৈ গৈ পত্নী গৰিমা গাৰ্গ আৰু পৰিয়ালক সাক্ষাৎ কৰাৰ পাছত মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এগৰাকী অভিযুক্তইহে নিজৰ ভাষ্যত জুবিন গাৰ্গক বিহপান কৰোৱা হৈছিল বুলি সন্দেহ প্ৰকাশ কৰিছে যদিও এয়া আৰক্ষীৰ ভাষ্য নহয়। এই ভাষ্য প্ৰদানত কোনো উদ্দেশ্য থাকিব পাৰে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে এই তদন্তৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ বাবে ঘটনাৰ সময়ত উপস্থিত থকা ছিংগাপুৰৰ প্ৰবাসী অসমীয়াসকলক অসমলৈ আহিবৰ বাবে মানসিক হেঁচা প্ৰয়োগ কৰিবলৈও সকলোকে আহ্বান জনায়।

**বাইট (চি এম)**

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত ৰাজ্য চৰকাৰে কালি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ অধ্যক্ষতাত এখন ন্যায়িক আয়োগ গঠন কৰে। এই আয়োগে ঘটনাটোৰ সকলো দিশ চালি-জাৰি চাবলৈ সাক্ষ্য প্ৰমাণ আৰু শপতনামা গ্ৰহণ কৰিব। এই আয়োগ গঠন বৃহৎ পদক্ষেপ বুলি উল্লেখ কৰি জ্যেষ্ঠ অধিবক্তা ভাস্কৰ দেৱ কোঁৱৰে এইদৰে কয়।

ইপিনে জি এম চি এইচত কৰা জুবিন গাৰ্গৰ দ্বিতীয়টো মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন কালি আদালতত দাখিল কৰাৰ লগতে শিল্পীগৰাকীৰ পত্নী গৰিমা গাৰ্গক অৰ্পণ কৰা হৈছিল যদিও শ্ৰীমতী গাৰ্গে সেয়া আৰক্ষীক ওভতাই দিয়ে। তদন্ত নিয়াৰিকৈ সম্পন্ন হোৱাৰ স্বাৰ্থত এই প্ৰতিবেদন আৰক্ষী আৰু আদালতৰ ওচৰত থকা উচিত বুলি তেওঁ অনুভৱ কৰাৰ কথা সাংবাদিকৰ আগত ব্যক্ত কৰে। তেওঁ লগতে এই ঘটনাৰ ন্যায় বিচাৰ দাবী কৰে।

এছ আই টিয়ে কালি গৰিমা গাৰ্গ আৰু জুবিন গাৰ্গৰ ভগ্নী পামী বৰঠাকুৰৰ ভাষ্য গ্ৰহণ কৰে। তদন্তকাৰী বিষয়া মৰমী দাসে তেওঁলোকৰ ভাষ্য গ্ৰহণ কৰে। এই ঘটনা সন্দৰ্ভত কালি এছ আই টিয়ে জুবিন গাৰ্গৰ সহশিল্পী ছুইটি দাস, সাংবাদিক প্ৰণয় বৰদলৈ, সাংবাদিক সাৰস্বত গোস্বামীৰো ভাষ্য গ্ৰহণ কৰে। এছ আই টিৰ তদন্তকাৰী বিষয়াই কালি জুবিন গাৰ্গৰ সম্পৰ্কীয় ভাতৃ সন্দীপন গাৰ্গক চতুৰ্থবাৰলৈ জেৰা কৰে।

ইতিমধ্যে এই ঘটনা সন্দৰ্ভত গ্ৰেপ্তাৰ কৰা শেখৰ জ্যোতি গোস্বামী, অমৃতপ্ৰভা মহন্তৰ লগতে মূল অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক বিশেষ তদন্তকাৰী গোটে সোধা-পোছা অব্যাহত ৰাখিছে। ইয়াৰ লগতে

ছিংগাপুৰত জুবিন গাৰ্গৰ সৈতে একেলগে সাগৰলৈ যোৱা আছাম এছ'চিয়েছনৰ ১১ জন সদস্যক অহা ৬ অক্টোবৰৰ ভিতৰত হাজিৰ হ'বলৈ বিশেষ তদন্তকাৰী গোটে জাননী জাৰি কৰিছে।

০০০০০০

ডিব্ৰুগড়ৰ পশ্চিম মিলন নগৰ অঞ্চলত অহা এজাক বৰষুণে কালি কৃত্ৰিম বানৰ সৃষ্টি কৰে। ডিব্ৰুগড় পৌৰ নিগমৰ ছয় নম্বৰ ৱাৰ্ডৰ অন্তৰ্গত পশ্চিম মিলন নগৰৰ সাহিত্যৰথী ক্ষেত্ৰ কৃত্ৰিম বানৰ কবলত পৰে। অঞ্চলটোত বৰষুণৰ পানী নিষ্কাষণৰ উপযুক্ত ব্যৱস্থা নথকা বাবে বৰষুণৰ পানী জমা হৈ থাকে আৰু যাতায়াতৰ অসুবিধাৰ সৃষ্টি কৰে। বিধায়ক তথা মন্ত্ৰী প্ৰশান্ত ফুকনে ডিব্ৰুগড় পৌৰ নিগমক এই সমস্যা সমাধানৰ বাবে বহুবাৰ আবেদন-নিবেদন কৰে যদিও স্থানীয় বাসিন্দাই ইয়াৰ সুফল লাভ কৰা নাই। অতি শীঘ্ৰে এই সমস্যা সমাধানৰ বাবে ৰাইজে বিভাগীয় কৰ্তৃপক্ষক আহ্বান জনাইছে।

০০০০০০

লখিমপুৰৰ কঠালপুখুৰী ষ্টেচনত কালি নামনিমুৱা মালবাহী ট্ৰেইনৰ ইঞ্জিনত জুই লগাৰ ফলত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। অৱশ্যে ষ্টেচনটোত উপস্থিত থকা লোকসকলৰ লগতে ওচৰ-পাজৰৰ ভালেসংখ্যক লোকৰ প্ৰচেষ্টাত অগ্নি নিৰ্বাপক বাহিনীৰ গাড়ীয়ে কম সময়ৰ ভিতৰতে এই জুই নিৰ্বাপিত কৰিবলৈ সমৰ্থ হয়। যান্ত্ৰিক বিজুতিৰ বাবে এই অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয় বুলি জানিব পৰা গৈছে।

০০০০০০

ডিব্ৰুগড় জিলাৰ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ লক্ষৱা আঞ্চলিক শাখাৰ উদ্যোগত চেচুঘাট বাঁহবাৰী প্ৰাথমিক শাখাৰ সহযোগত ৫৭৭ সংখ্যক গুৰু আবিৰ্ভাৱ মহোৎসৱ কালি দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। পুৱা গছপুলি ৰোপণেৰে আৰম্ভ হোৱা অনুষ্ঠানটোত দিনৰ ভাগত নাম-প্ৰসংগ আৰু কীৰ্তনপাঠ অনুষ্ঠিত হয়। এই গুৰু আবিৰ্ভাৱ মহোৎসৱৰ ধৰ্মধ্বজা উত্তোলনৰ পাছত লক্ষৱা আঞ্চলিকৰ ভকত-বৈষ্ণৱসকলে ভাগৱত শোভাযাত্ৰা কৰি হৰিনামৰ ধ্বনিৰে অঞ্চলটো মুখৰ কৰি তোলে।

০০০০০০

**সমাপ্ত**